
# ১৬০০ খৃষ্টাব্দৰ পৰা আজিলৈকে খ্ৰীষ্ট ধৰ্ম্মৰ বিস্তাৰ

টোকা ঃ এই অধ্যয়ন পঢ়াৰ আগেয়ে আপুনি খ্ৰীষ্ট ধৰ্ম্মৰ পুৰণি ইতিহাস অধ্যয়নৰ H4a1 আৰু H4a2 পঢ়া উচিত। ল’ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন H4b3 পঢ়া উচিত।

১। **খ্ৰীষ্ট ধৰ্ম্মৰ ইতিহাস শিকিবলৈ লোৱা আগেয়ে প্ৰাৰ্থনা ও ঈশ্বৰৰ বাক্যৰে প্ৰস্তুত হওক।**

**প্ৰাৰ্থনা ঃ** “প্ৰিয় যীচু, পৃথিৱীত আপুনি কি কৰি আছে আৰু আনলৈ শুভবাৰ্ত্তা নিওঁতে আমি কেনে ভূমিকা লোৱা উচিত, সেই কথা মই আৰু মোৰ মণ্ডলীয়ে শিকোঁতে, অনুগ্ৰহ কৰি সহায় কৰক।

**২০ শতিকাৰ পৃথিৱীৰ জনসংখ্যাৰ শতকৰা হিচাপে কৰ্ম্মৰত খ্ৰীষ্টিয়ানসকল**




পৰিশ্ৰমী খ্ৰীষ্টিয়ান সকলৰ নিমিত্তে বৃদ্ধি হ’বলৈ পৃথিৱীৰ জনসংখ্যাৰ 0% ৰ ২.৫% পৰা ১৯০০ চনত হ’বলৈ ১৮ শতিকা লাগিছিল। ২০০০ চনত, ইতিহাসত প্ৰথম বাৰৰ বাবে প্ৰত্যেক ৯ গৰাকী মানুহৰ কাৰণে এগৰাকী কাম কৰা খ্ৰীষ্টিয়ান যি সকল হয়তো কেৱল নামতে অথবা অ-খ্ৰীষ্টিয়ান লোক।

**বাইবেল অধ্যয়ন**

**পাঁচনিৰ কৰ্ম্ম ৬ঃ৫-৭** পদত চাওক যেতিয়া সাধাৰণ খ্ৰীষ্টিয়ান সকলক চলাওঁতা সকলে নিযুক্তি দিয়ে, তেতিয়া শুভবাৰ্ত্তা কি হয়। (উত্তৰ ঃ তেওঁলোকে আৰু আগবঢ়াই নিয়ে আৰু অনেক লোকবিলাক বিশ্বাসত চামিল হয়)।

**পাঁচনিৰ কৰ্ম্ম ৮ঃ১-৮** পদত চাওক, শুভবাৰ্ত্তাৰ সাধাৰণতে কি হয়, যেতিয়া ক্ষমতাত থকা সকল খ্ৰীষ্টিয়ানৰ প্ৰতি বিৰোধী হয়। **পাঁচনিৰ কৰ্ম্ম ১২ঃ২৪** ৰ পৰা **১৩ঃ৫ পদত** চাওক পবিত্ৰ আত্মাই মণ্ডলীক কি কৰিবলৈ কয়, যাতে যেন আন লোকবিলাকে শুভবাৰ্ত্তা জানিব পাৰে।

**পাঁচনিৰ কৰ্ম্ম ১৪ঃ২১-২৩** পদত চাওক অৱহেলিত লোকবিলাকৰ মাজলৈ সোমাই যোৱা কৰ্ম্মচাৰী সকলৰ প্ৰধান কাৰ্য্যবিলাক।

- তেওঁবিলাকে কিহৰ বিষয়ে কয়? *(২১ পদ)*
- কেনে ধৰণৰ ঠাইবিলাকলৈ তেওঁলোক যায়?
- নতুন বিশ্বাসীসকলৰ নিমিত্তে তেওঁলোকে কি কৰে? *(২২)*
- নতুন খ্ৰীষ্টিয়ান বিলাকক কেনে ধৰণৰ চলাওঁতাৰ প্ৰয়োজন? *(২৩)*
- মিশ্যনেৰী সকল আঁতৰি যোৱা পাছত নতুন মণ্ডলীবিলাকক কোনে পৰিচালনা কৰিব?

## ১৬০০ খৃষ্টাব্দৰ পৰা ১৯০০ খৃষ্টাব্দলৈ বছৰবোৰ

ইউৰোপত আধ্যাত্মিক আৰু সাংস্কৃতিক সংশোধনে খ্ৰীষ্টিয়ান সকলক বাইবেল পাবলৈ আৰু পঢ়িবলৈ অনুমতি দিছিল। ইয়াৰ পৰিণাম অনেক আছিল ঃ

- ইউৰোপৰ হাজৰ হাজাৰ লোকবিলাকে মণ্ডলীৰ বিভিন্ন পৌৰাণিক দস্তুৰৰ পৰা যীচুত প্ৰকৃত বিশ্বাস আৰু স্বাধীনতা আৱিষ্কাৰ কৰিলে।
- ইউৰোপৰ উত্তৰ দেশৰ লোকবিলাকে ৰোম আৰু পোপৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সন্যাসীৰ মঠ বিলাক বিনষ্ট কৰিলে আৰু প্ৰটেষ্টান ধৰ্ম্ম সংস্কাৰ আৰম্ভ কৰিলে।
- জাৰ্মানী আৰু ইংল্যাণ্ডৰ প্ৰটেষ্টান সকলে পৃথিৱীৰ উপকূল অঞ্চললৈ অনেক মিশ্যনেৰী সকলক পঠাইছিল।
- কেথলিক সেনাবাহিনীয়ে দক্ষিণ আমেৰিকা জয় কৰোতে, অনেক প্ৰটেষ্টান সকলে উত্তৰ আমেৰিকালৈ আঁতৰি যায় আৰু তাত অনেক সম্প্ৰদায়বোৰ আৰম্ভ কৰে।
- যেই হওক, মানুহৰ যুক্তি-তৰ্কত নিৰ্ভৰতাই লাহেকৈ অনেক ইউৰোপৰ লোকবিলাকৰ মাজত খ্ৰীষ্টিয়ান ধৰ্ম্মক পুনৰ স্থাপন কৰিলে।

## মাৰ্টিন লুথাৰ

এগৰাকী কেথলিক সন্যাসী, লুথাৰে নতুন নিয়ম পঢ়ি আৱিস্কাৰ কৰিলে যে মানুহৰ নিজৰ বিশ্বাসৰ দ্বাৰাই ঈশ্বৰে তেওঁলোকক ৰক্ষা কৰে। ১৫১৭ চনত প্ৰকাশিত ৯৫ খন ৰচনা, যাক ইউৰোপীয় খ্ৰীষ্টিয়ান সকল তেওঁলোকৰ বিশ্বাসৰ সন্ধানত বাইবেললৈ ঘূৰে আৰু তেওঁলোকৰ দস্তুৰবোৰ বাচি লয়। কেথলিক পোপে তেওঁক বাদ দিওঁতে, তেওঁ লুকাবলগীয়া হৈছিল। বাইবেলৰ পৰা লুথাৰৰ মতবিলাক ইউৰোপত প্ৰভাৱান্বিত হৈছিল আৰু ইয়াৰ দ্বাৰাই প্ৰটেষ্টান সকলৰ সংশোধন বঢ়াই নিছিল। আজি, আন এক সংশোধনৰ বাবে অনেক প্ৰটেষ্টান সম্প্ৰদায়ক বাইবেললৈ ঘূৰি যোৱাৰ প্ৰয়োজন আছে।

## ২০ শতিকা

ইউৰোপীয় শাসনৰ পৰা মুক্ত, উত্তৰ আমেৰিকাৰ লোকসকলে ১০০০ ৰতকৈ অধিক ভাষাত বাইবেল তৰ্জ্জমা কৰিলে আৰু বিভিন্ন ফলাফলেৰে অনেক দেশত তেওঁলোকৰ সম্প্ৰদায় স্থাপন কৰিলে।

- অনেক স্বাধীন শুভবাৰ্ত্তা প্ৰচাৰৰ অনুস্থানবিলাক তেওঁলোকে আৰম্ভ কৰিলে।
- অনেক দেশত জাতীয় মণ্ডলীবিলাক স্বাধীন হৈছিল, থলুৱা আৰু শুভবাৰ্ত্তা প্ৰচাৰ কৰা মণ্ডলীবিলাকে তেওঁলোৰ নিজৰ মিশ্যনেৰী সকলক পঠিয়াইছিল।
- চীনত ঘৰত বহা মণ্ডলী / গীৰ্জ্জা আন্দোলন, যদিও ক্ষমতাত থকা সকলে তাড়না কৰিছিল, তথাপি ই দ্ৰুতগতিত আগবাঢ়িছিল।
- খ্ৰীষ্টধৰ্ম্ম প্ৰচাৰ কৰা আন্দোলন পৃথিৱীত এতিয়া আটাইতকৈ বেচি বেগাই বৃদ্ধি পোৱা ধৰ্ম্মীয় আন্দোলন।
- চীন, দক্ষিণ এচিয়া, আফ্ৰিকা, দক্ষিণ আমেৰিকা আৰু ইণ্ডোনেচীয়াত বৃহৎ সংখ্যা খ্ৰীষ্টিয়ান সকলে বাস কৰে।

## ২১ শতিকা

অনেক দেশৰ মণ্ডলীবিলাকে বাদ পৰি যোৱা অৱহেলিত লোকবিলাকৰ মাজত সোমাবলৈ বিচাৰিছে। খ্ৰীষ্ট ধৰ্ম্মৰ ওপৰত ইয়াৰ বিভিন্ন প্ৰভাৱ পৰিছে।

- খ্ৰীষ্ট ধৰ্ম্ম বিৰোধী অনেক অঞ্চলবিলাকত, স্বতঃস্ফূৰ্ত্ত, স্বাধীন ভাবে “মণ্ডলী স্থাপন আন্দোলন” আৰম্ভ হৈছে।
- অধিক সংখ্যক লোকে তেওঁলোকৰ নিজৰ ভাষাত বাইবেল শিকিছে।
- যীচুক প্ৰেমত, প্ৰাৰ্থনাত, সহভাগিতাত, দয়া আৰু শুভবাৰ্ত্তা প্ৰচাৰ, আদি কৰি মণ্ডলীৰ ৰীতি নিয়মৰ পৰা

অনেক বিশ্বাসী সকল মুক্ত।

- অনেক মণ্ডলীয়ে পাৰমাৰ্থিক চলাওঁতা হিচাবে নিজৰ লোকবিলাকক মনোনীত কৰে।
- নিজৰ সংস্কৃতিৰ পৰা নিয়ম আৰু অভ্যাসবোৰ উপাসকসকলে ব্যৱহাৰ কৰে।

**২। আগত অহা সপ্তাহৰ কাম-কাজৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক।**

নিজৰ ভাষাত বাইবেল নথকা বিশ্বাসীসকলক বিচাৰক আৰু তেওঁলোকে কিনি ল'বলৈ সেই ভাষাৰ বাইবেল পাবলৈ ব্যৱস্থা কৰক।

পঢ়িব নজনা বিশ্বাসীজনক, বাইবেল পঢ়াৰ ব্যৱস্থা কৰক।

মুক্তভাৱে যীচুৰ বাধ্য হোৱা আৰু সেই একেদৰে আনক সহায় কৰাত কোন মণ্ডলীৰ পৰম্পৰাই বাদ দিয়ে একেলগে আলোচনা কৰক। এনে ধৰণৰ বেচিভাগ পৰম্পৰা আন সংস্কৃতিৰ পৰা অহা।

বাহিৰৰ পৰা দিয়া দান-বৰঙণি ওপৰত কেনেকৈ আপোনাৰ মণ্ডলীয়ে নিৰ্ভৰ কৰে, আলোচনা কৰক আৰু নিজে নিজক সহায় কৰাৰ আঁচনি কৰক। নিজৰ প্ৰয়োজনৰ কাৰণে তেওঁক বিশ্বাস কৰা সকলক ঈশ্বৰে আশীৰ্ব্বাদ কৰে।

আপোনাৰ ওচৰত থকা কোন লোকবিলাকৰ মাজত যথেষ্ট খ্ৰীষ্টিয়ান নাই, বিচাৰি উলিয়াওক আৰু তেওঁবিলাকক সহায় কৰিবলৈ মিশ্যনেৰী হিচাপে আপোনালোকৰ কিছুমান সভ্য-সভ্যা পঠিয়াবলৈ মণ্ডলীয়ে প্ৰাৰ্থনা আৰু আঁচনি কৰক।

মিশ্যনেৰী পৰিচৰ্য্যা কামত সহযোগ কৰিবলৈ আপুনি প্ৰশিক্ষণ দিয়া আন মণ্ডলীবোৰক আপুনি সহায় কৰক।

**৩। হ'বলগীয়া উপাসনাৰ নিমিত্তে সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।**

শুভবাৰ্ত্তা কিদৰে ব্যাপ্ত হয় তাক জানিবলৈ (১ম ভাগত দিয়া) শাস্ত্ৰৰ অংশবোৰ বিশ্বাসীসকলক পঢ়িবলৈ আৰু আলোচনা কৰিবলৈ দিয়ক।

যোৱা ৪০০ বছৰৰ খ্ৰীষ্টিয়ান ইতিহাসত বিশ্বাসীসকলে শুভবাৰ্ত্তা কেনেকৈ ভগাই লৈছিল বৰ্ণনা কৰক।

ঈশ্বৰে কি কৰিলে সেই বিষয়ে মিশ্যনেৰী কাৰ্য্য কৰা বিশ্বাসীসকলক সাক্ষ্য দিবলৈ কওক।

ঘৰৰ গোট আৰু সভাবোৰত ঈশ্বৰে কেনেকৈ সহায় কৰিলে, বিশ্বাসীসকলক সাক্ষ্য দিবলৈ কওঁক।

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাটক পৰিবেশন কৰিবলৈ দিয়ক।

**প্ৰভু-ভোজৰ মেজ স্থাপন কৰাত পাঁচনিৰ কৰ্ম্ম ২০ঃ৭ পদ পঢ়ক।** আৰম্ভণীৰে পৰা সৰহ সংখ্যক বিশ্বাসীসকলে প্ৰভু ভোজ নিয়মীয়াকৈ পালন কৰা পুৰণি মণ্ডলীসমূহৰ আৰ্হি অনুসৰণ কৰিছিল।

দুই বা তিনিজনীয়া সৰু গোট হৈ আঁচনি, প্ৰাৰ্থনা আৰু পৰস্পৰক উৎসাহ দিয়ক।

মাৰ্ক ৪ঃ৩১-৩২ পদ মুখস্থ কৰক। প্ৰথমে বৰ্ণনা কৰক যে যীচুৱে ঈশ্বৰৰ ৰাজ্যৰ ব্যাখা কৰিছিল।

Copyright 2005 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.